# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ০২ এপ্রিলত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্রদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী খুলফায়ে ৰাশিদিন,জুন্নুৰাইন হজৰত উচমান বিন আফ্‌ফান (ৰাঃ)ৰ পৱিত্র গুণাৱলীৰ ঈমান বৰ্দ্ধক ঐতিহাসিক ঘটনাৱলীৰ চমু বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয়  যে যোৱা জুমাৰ খোতবাৰ আগত হজৰত উচমান (ৰাঃ)ৰ বিষয়ে স্মৃতি মন্থন হিচাপে বৰ্ণনা কৰা হৈছিল। আজিও তেখেত (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰা হ'ব। হজৰত উচমান (ৰাঃ)ৰ ব্যক্তিত্বত পৰহেজগাৰী (পৱিত্রতা) আৰু লজ্জাশীলতা বৰ  বৈছিকৈ আছিল। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে মোৰ উম্মতৰ মাজত আটাইতকৈ বেছি ৰহম  কৰোঁতা (দানশীল) হ'ল আবু বক্কৰ (ৰাঃ),দ্বীনৰ ক্ষেত্ৰত আটাইতকৈ বেছি দৃঢ় (অটল) হ'ল উমৰ (ৰাঃ),আটাইতকৈ বেছি লজ্জাশীল হ'ল উচমান (ৰাঃ),সৰ্বোতিকৃষ্ট সিদ্ধান্ত কৰোঁতা হ'ল আলি (ৰাঃ)। কোৰাণৰ জ্ঞান ৰাখোতা হ'ল আবি বিন কাআব (ৰাঃ),বৈধ আৰু অবৈধ (হালাল আৰু হাৰাম) সম্পৰ্কে জানোতা হ'ল মুৱাজ বিন জবল (ৰাঃ),ফৰজ সম্পৰ্কে জানোতা হ'ল জায়েদ বিন ছাবিত (ৰাঃ)। আৰু কৈছিল শুনা ! প্ৰত্যেক উম্মতৰ বাবে এজন আমিন (বিশ্বস্ততা) থাকে  আৰু এই উম্মতৰ আমিন হ'ল আবু উবেয়দা বিন জাৰাহ (ৰাঃ)।

হজৰত উচমান (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই দহটা বস্তু মোৰ সৃষ্টি কৰ্তাৰ পৰা লুকাই ৰাখিছো। মই সৰ্ব প্ৰথমে ইছলাম গ্ৰহণ কৰা সকলৰ মাজত চতুৰ্থ জন ব্যক্তি হওঁ। মই কেতিয়াও নাচ-গান শুনা নাই আৰু কেতিয়াও মিছা কথা কোৱা নাই আৰু যেতিয়াৰ পৰা মই ৰছুলুল্লাহ (ছাঃ)ৰ বয়াত কৰিছোঁ তেতিয়াৰ পৰা মই নিজৰ লজ্জাস্থান নিজৰ সোঁহাতেৰে স্পৰ্শ কৰা নাই আৰু মই ইছলাম গ্ৰহণ কৰাৰ পিছত এনেকুৱা কোনো জুমা পাৰ হোৱা  নাই যে মই এজন গোলাম আজাদ (স্বাধীন) কৰিবলৈ কোনো গোলাম (দাস) নাছিল। এনে পৰিস্থিতিতে মই জুমাৰ বাদে বেলেগ দিনত গোলামক মুক্ত (স্বাধীন) কৰি দিছিলো আৰু মই অজ্ঞতাৰ যুগতও অবৈধ সম্ভোগত  (ব্যভিচাৰত) লিপ্ত হোৱা নাছিলো আৰু ইছলামত অন্তৰ্ভুক্ত হৈয়ো ব্যভিচাৰত লিপ্ত হোৱা নাই।

হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই নবী কৰিম (ছাঃ)ৰ লগত এটা যুদ্ধত অংশ গ্ৰহণ কৰিছিলোঁ,তাত মানুহে অনাহাৰত থাকিব লগীয়া হৈছিল, যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে এই অৱস্থা দেখিছিল তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল- আল্লাহৰ শপত ! বেলি মাৰ যোৱাৰ আগতেই আল্লাহ তা'লা তোমালোকৰ নিমিত্তে

ৰিজিক (আহাৰ)ৰ ব্যৱস্থা কৰাৰ উপায় দিব। হজৰত উচমান (ৰাঃ)য়ে এই কথা শুনাৰ লগে লগে কৈছিল- আল্লাহ আৰু তাৰ ৰছুলে সম্পূৰ্ণই সঁচা কথা কয়। গতিকে তেখেত (ৰাঃ)য়ে খাদ্য বস্তুসহ চৈধ্যটা উট কিনিছিল আৰু তাৰ পৰা ন টা মান উট খাদ্য বস্তুৰ সৈতে নবী (ছাঃ)ৰ ওচৰত (খিদমতত) পঠাই দিছিল। এয়া দেখি ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ হাত দুখন ওপৰলৈ উঠাই পাতি দিছিল,ইমানেই ওপৰলৈ তুলি ধৰিছিল যে তেখেত (ছাঃ)ৰ কাষলতিৰ ধক্-ধকীয়া বগা দেখা পোৱা গৈছিল আৰু তেখেত (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ বাবে দোৱা কৰিছিল। মই নবী কৰিম (ছাঃ)ক এনেদৰে অইন কাৰোবালৈ দোৱা কৰোঁতে শুনা নাই। আগতেও শুনা নাছিলো আৰু পিছতও শুনা নাই। সেই দোৱাটো আছিল এয়া,

اَللّٰهُمَّ اٰتِ عُثْمَانَ اَللّٰهُمَّ اِفْعَلْ بِعُثْمَانَ

হে আল্লাহ ! উচমানক অপৰিসীম দান কৰা, হে আল্লাহ ! উচমানৰ ওপৰত নিজৰ কৃপা আৰু কৰুণা অৱতীৰ্ণ কৰা।

হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে মোৰ ওচৰলৈ আহি মাংস দেখা পাই সুধিছিল যে এয়া কোনে পঠাইছে ? মই উত্তৰ দিছিলো যে হজৰত উচমান (ৰাঃ)য়ে পঠোৱাইছে। তেতিয়া মই ৰছুলুল্লাহ (ছাঃ)ক নিজৰ দুই হাত পাতি উচমান (ৰাঃ)ৰ নিমিত্তে দোৱা কৰোঁতে দেখিছো।

ইবনে ছঈদ বিন ইয়াৰবু কৈছে যে মই সৰু আছিলো আৰু মছজিদত খেলি আছিলো তেতিয়া তাত এজন ধুনীয়া বুজুৰ্গ মূৰৰ তলত ইটৰ টুকুৰা এটা ৰাখি শুই আছিল। মই তেখেতলৈ আচৰিত হৈ চাইছিলো,তেতিয়া তেখেতে চকু মেলি মোক সুধিছিল যে তুমি কোন হয় ? তাৰ পিছত তেখেতে এজন ল'ৰাক আদেশ দি পোছাক আৰু এহেজাৰ দিৰহাম লৈ অনাই মোক দিছিল। যেতিয়া মই সেইবোৰ লৈ মোৰ দেউতাকৰ ওচৰলৈ গৈছিলো তেতিয়া তেখেতে মোক কৈছিল যে সেই লোকজন হজৰত উচমান বিন আফ্‌ফান (ৰাঃ)।

ইবনে জৰিৰ বৰ্ণনা কৰিছে যে হজৰত তালহা (ৰাঃ)য়ে সেই সময়ত হজৰত উচমান (ৰাঃ)ক লগ ধৰিছিল যেতিয়া হজৰত উচমান (ৰাঃ)য়ে মছজিদলৈ গৈ আছিল। হজৰত তালহা (ৰাঃ)য়ে তেখেত (ৰাঃ)ক কৈছিল যে আপোনাৰ পঞ্চাচ হাজাৰ দিৰহাম, যি মোৰ জিম্মাত আছিল সেয়া এতিয়া যোগাৰ কৰা হৈছে, আপুনি সেয়া লৈ ল'বলৈ কোনো এজনক মোৰ ওচৰত পঠাই দিব। এয়া শুনি হজৰত উচমান (ৰাঃ)য়ে হজৰত তালহা (ৰাঃ)ক কৈছিল যে সেয়া মই আপোনাৰ উত্তম আচৰণৰ মানৱীয়তাৰ কাৰণে আপোনাক উপঢৌকন হিচাপে দিলো। সেয়া আৰু ওভতাই লোৱা নহয়।

হজৰত উচমান (ৰাঃ)য়ে অহি লিপিবদ্ধ কৰাৰ সৌভাগ্য লাভ কৰিছিল। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই হজৰত উচমান (ৰাঃ)ক ৰছুলুল্লাহ (ছাঃ)ৰ লগত প্ৰচণ্ড গৰমৰ এখন ৰাতিত এটা ঘৰৰ ভিতৰত দেখিছিলো, যেতিয়া হজৰত জিব্ৰাইল (আঃ)য়ে নবী কৰিম (ছাঃ)ৰ ওপৰত অহি নাযিল কৰি আছিল আৰু হজৰত উচমান (ৰাঃ)য়ে নবী কৰিম (ছাঃ)ৰ সন্মুখত বহি সেই অহি লিখি আছিল আৰু তেখেত (ছাঃ)য়ে কৈছিল যে হে উচমান, তুমি লিখি থাকিবা। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আল্লাহ তা'লা ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে এনেকুৱা নৈকট্য কোনোবা মৰ্যাদা সম্পন্ন আৰু মকৰম ব্যক্তিকেই দান কৰিছে।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ সময়ত কোৰাণ কৰিমৰ লিখিত পৃষ্ঠাবোৰ এঠাইত জমা কৰা হয়, যিবিলাক ফাৰুকী খিলাফতৰ পিছত হজৰত হাফচা বিনতে উমৰ (ৰাঃ)ৰ ওচৰত জমা আছিল। হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত কোৰাণ পঢ়াৰ ক্ষেত্ৰত মতানৈক্যৰ উদ্ভৱ হোৱাত হজৰত উচমান (ৰাঃ)য়ে হজৰত হাফচা (ৰাঃ)ৰ

পৰা সেই লিখিত পৃষ্ঠাবোৰ লৈ আনি হজৰত জায়েদ বিন ছাবিত (ৰাঃ),হজৰত আব্দুল্লাহ বিন জুবেৰ (ৰাঃ),হজৰত ছঈদ বিন আচ (ৰাঃ)আৰু হজৰত আব্দুৰ ৰহমান বিন হাৰিছ বন হিশাম (ৰাঃ)ক কুৰাইছৰ ব্যাকাৰণ অনুযায়ী সেই পৃষ্ঠাবিলাকৰ নকল কপি কৰিবলৈ আদেশ দিয়ে আৰু সেইবোৰ হুবহু নকল কৰি উলিওৱা হয়। পিছত সেইবোৰ কপি ইছলামী দেশবোৰলৈ প্ৰেৰণ কৰা হৈছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে আয়াত سَنُقْرِئُكَ فَلَا تَنْسٰى তফছিৰত লিখিছে যে এই আয়াতৰ অৰ্থ হ'ল এয়া যে আমি তোমাক সেই কথাবোৰ শিকাম, যিবোৰ তুমি কিয়ামতলৈকে পাহৰি নাযাবা বৰং এই কথাবোৰ তেনেদৰেই সংৰক্ষিত থাকিব যেনেকৈ এতিয়া আছে। এই দাবীৰ প্ৰমাণ হ'ল এয়া যে ইছলামৰ ঘোৰ শত্ৰুৱেও আজি মুকলি ভাৱে স্বীকাৰ কৰে যে কোৰ-আন কৰিম সেই আদি কালৰ অৱস্থাতেই সংৰক্ষিত আছে,যি আকাৰত ৰছুলে কৰিম (ছাঃ)য়ে ইয়াক আগবঢ়াই থৈ গৈছে। নোল্ড, চপৰ নগৰ আৰু উইলিয়াম মিউৰ আদি সকলোৱে স্বীকাৰ কৰিছে যে কোৰ-আন কৰিমৰ বাহিৰে আৰু বেলেগ কোনো কিতাপ সম্পৰ্কে এয়া ক'ব পৰা নাযায় যে যি আকাৰত ছিলছিলাৰ প্ৰতিষ্ঠাপকে কিতাপ এখন আগবঢ়াই থৈ গৈছে আৰু সেই কিতাপখন তেনে আকাৰতেই জগতত আজিও মজুদ আছে।

হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)য়ে কৈছে যে লোকে হজৰত উচমান (ৰাঃ)ক কোৰ-আন জমা কৰোঁতা বুলি কয়, কথাটো অৱশ্যে ভুল হয়। তেখেতক যদি কোৰ-আন ছপা কৰাওঁতা বুলি কোৱা হয় তেন্তে সেই কথাখিনি কিছু পৰিমাণে শুদ্ধ। এখেত (ৰাঃ)ৰ খিলাফৎ কালত ইছলাম দূৰ-দূৰণিলৈকে বিস্তাৰ লাভ কৰিছিল, সেই কাৰণে হজৰত উচমান (ৰাঃ)য়ে কোৰ-আন কৰিমৰ কেইটামান পৃষ্ঠাৰ নকল কপি কৰাই মক্কা,মদিনা,ছিৰিয়া,বছৰা,কোফা,বিলাদ আদি ঠাইলৈ পঠোৱাই দিছিল। কোৰ-আন কৰিম জমা আৰু ইয়াৰ ক্ৰম আল্লাহ তা'লাৰ পছন্দ অনুযায়ী নবী কৰিম (ছাঃ)য়ে কৰি থৈ গৈছে আৰু সেই পছন্দনীয় ক্ৰমৰ সৈতে আহি আজি আমালোকলৈ পাইছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত মদিনাৰ এক দীঘলীয়া সময় চলি অহা ৰাজধানীৰ ভূমিকা পালনাৰ্থে সকলো সম্প্ৰদায় এটা ঐক্য মঞ্চত সংযোগ হৈছিল। তেতিয়া মদিনাৰ লোকেই হাকিম আছিল আৰু ইয়াৰ লগত প্ৰব্ৰজনকাৰী সকলৰও ডাঙৰ গ্ৰুপ এটা জৰিত হৈছিল। সেই কাৰণে মদিনাৰ বাসিন্দা সকলেও মক্কাৰ লোকৰ লগ পাই হিযাজী আৰবী শিকিছিল। যিহেতু শাসনৰ ভাগডোৰ তেওঁলোকৰ হাতত আছিল আৰু বিভিন্ন অঞ্চলৰ লোকে মুহাজিৰিণ (প্ৰব্ৰজনকাৰী) আৰু আনছাৰ সকলৰ পৰা দ্বীনৰ শিক্ষা লৈছিল গতিকে সকলো দেশৰ শিক্ষাৰ ভাষা একে হৈ পৰিছিল। যুদ্ধ বিগ্ৰহৰ বাবেও বিভিন্ন কবিলাৰ লোকে একে ঠাইতে জমা হোৱাৰ সুযোগ পাইছিল। এনেদৰে চাহাবা সকলৰ সঙ্গ লাভ কৰি তেওঁলোকৰ ইচ্ছা অনুভুতিয়ে একেটা ৰঙৰ জন্ম দিয়া কৰিছিল। সেই সময়ত শিক্ষাৰ ফালে ধাবিত হোৱা লোক সকলে কোৰ-আনি ভাষাৰ পাণ্ডিত্য লাভ কৰিছিল। গতিকে হজৰত উচমান (ৰাঃ)য়ে ভৱিষ্যতলৈ কেৱল হিযাজী কিৰা'ত পঢ়াৰ বাবে আদেশ দিছিল। এখেত (ৰাঃ)ৰ এই আদশৰ ওপৰত ছিয়া লোকসকলে অভিযোগ কৰি কৈছিল যে বৰ্তমান কোৰ-আন উচমানী পকেট পুস্তিকা। মুঠতে এয়া ভুল অভিযোগ উত্থাপন কৰা হৈছিল। হজৰত উচমান (ৰাঃ)ৰ সময়লৈকে আৰবীয়ান সকলৰ সংমিশ্ৰণ হোৱাৰ বহুকাল অতিবাহিত হৈ গৈছিল। তেওঁলোকে পাৰস্পাৰিক ভাষা সম্পৰ্কে ভালদৰে জ্ঞাত হৈ পৰিছিল। আচল কথা হ'ল এয়া যে কোৰ-আন কৰিম হিযাজী আৰবী ভাষাত অৱতীৰ্ণ হৈছিল আৰু বিভিন্ন কবিলাবিলাকে ইছলাম গ্ৰহণ কৰাৰ পিছত ইয়াৰ কিৰা'তত পাৰ্থক্য হোৱা পৰিলক্ষিত হৈছে।

সাধাৰণতে এটা কবিলাৰ ভাষা আৰু আন এটা কবিলাৰ ভাষাৰ মাজত সামান্য পাৰ্থক্য আছিল আৰু কিছুমান শব্দৰ অৰ্থও ভিন্ন আছিল। সেয়ে ৰছুলুল্লাহ (ছাঃ)য়ে আল্লাহ তা'লাৰ ইচ্ছা অনুসৰি কিছুমান মতানৈক্য হ'ব পৰা শব্দৰ উচ্চাৰণ সলনি কৰাৰ নাইবা একে শব্দৰ অৰ্থৰ এটা শব্দ ব্যৱহাৰৰ অনুমতি দিছিল। যেতিয়া হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত সামাজিক ব্যৱস্থা আৰু শাসনৰ জৰিয়তে কবিলাৰ সলনি সম্প্ৰদায় আৰু সকলোৱে এটা ভাষাৰ অধীনত আহিছিল তেতিয়া সকলো লোকেই হিযাজী ভাষাৰ লগত সম্পূৰ্ণ ভাৱে পৰিচিত হৈছিল। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে ধাৰণা কৰিছিল যে এতিয়া এই কিৰা'ত বাহাল ৰাখিলে মতানৈক্যৰ উদ্ভৱ হ'ব। সেয়ে এই কিৰা'ত বাহ্যিক ভাৱে ব্যৱহাৰ কৰাটো বন্ধ কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনাৰ ধাৰাবাহিকতা আগলৈ আৰু চলিব।ইনশা আল্লাহ-

হুজুৰ (আইঃ) পাকিস্তান আৰু আলজেৰিয়াৰ আহমদী সকলৰ বাবে দোৱাৰ আবেদন জনাই কয় যে দোৱা কৰক আল্লাহ তা'লা যেন তেওঁলোকৰ বিপদ দূৰীভূত কৰে। বিশেষকৈ পাকিস্তান আইনৰ অধীনত বিভিন্ন সময়ত আহমদী সকলৰ বাবে বাট মুকলি কৰে আৰু কোনো ফালেৰেই সিহঁতৰ এতিয়া স্বাধীনতা নাই। এনেদৰে আলজেৰিয়াতও কিছুমান শাসন বিভাগৰ সৰ্ত্তাকৰ্তাই বিপদ সৃষ্টি কৰি থাকে।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কেন্দ্ৰীয় আই টি টিমৰ জৰিয়তে বনোৱা চীনা ডেস্কৰ ৱেব ছাইটৰ শুভাৰম্ভ কৰাৰ ঘোষণা কৰাৰ লগতে কয় যে নমাজে জুমাৰ পিছত এই ৱেব ছাইট উদ্ভোধন কৰা হ'ব। এই ৱেব ছাইটৰ জৰিয়তে চীনা ভাষাত ইছলাম আৰু আহমদীয়দ সম্পৰ্কে বিতং ভাৱে জানিব পাৰিব। খোদা কৰক যাতে এই ৱেব ছাইটখন চীনা জনগণৰ বাবে হিদায়তৰ উৎস হয় আৰু ইছলাম আৰু আহমদীয়তৰ কাৰণে সিহঁতৰ অন্তৰৰ দুৱাৰ মুকলি হয়।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় মহম্মদ ইউনুচ খালিদ চাহাব (মুৰববী ছিলছিলা),মাননীয় ডাক্তৰ নিজাম উদ্দিন বদন চাহাব (আইভৰিকষ্ট),মাননীয়া ছালমা বেগম পত্নী ডাক্তৰ ৰাজা নছেৰ আহমদ জাফৰ চাহাব,মাননীয়া কিশোৰ তনবিৰ আশ্ৰফ চাহিবা পত্নী আব্দুল বাকি আশ্ৰফ চাহাব (চিয়াৰমেন আলশৰকাতুল ইছলামীয়া ইউ.কে) মাননীয় আব্দুৰ ৰহমান হুছেইন মহম্মদ খ্যাৰ চাহাব (ছুডান) আদি সকলৰ গুণাৱলীৰ চমু আভাস দিয়ে আৰু নমাজে জুমাৰ পিছত এওঁলোকৰ নমাজে জানাজা গায়েব পঢ়ায়। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لاَّ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰه رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**